নং ঃ ৩১৮/২০২১

# ৰাজ্যৰ ১৭ খন ভ্ৰাম্যমাণ থিয়েটাৰক ১০ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

## ভ্ৰাম্যমাণ থিয়েটাৰ অসমৰ ঐতিহ্য আৰু সমূহীয়া প্ৰচেষ্টাৰে এই উদ্যোগ আমি জীয়াই ৰাখিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ অক্টোবৰ ঃ** ক'ভিড মহামাৰীয়ে সৃষ্টি কৰা প্ৰত্যাহ্বান মোকবিলা কৰাত আৰ্থিকভাৱে কিছু সকাহ দিয়াৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ সাংস্কৃতিক বিভাগে গ্ৰহণ কৰা এক পদক্ষেপৰ অংশ হিচাপে ৰাজ্যৰ ১৭ টা ভ্ৰাম্যমাণ থিয়েটাৰ গোষ্ঠীৰ প্ৰযোজককলৈ ১০ লাখ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰে। আজি গুৱাহাটীৰ কইনাধৰাস্থিত ১ নং ৰাজ্যিক অতিথিশালাত অনুষ্ঠিত এক কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° শৰ্মাই সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাৰ উপস্থিতিত প্ৰযোজকসকলক আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে। আৰ্থিক সাহায্য লাভ কৰা থিয়েটাৰ গোষ্ঠীসমূহ হৈছে ক্ৰমে কহিনুৰ থিয়েটাৰ, বৰদৈচিলা থিয়েটাৰ, আবাহন থিয়েটাৰ, সুদৰ্শন থিয়েটাৰ, সূৰ্য্য থিয়েটাৰ, ইতিহাস থিয়েটাৰ, ৰাজতিলক থিয়েটাৰ, নটসূৰ্য থিয়েটাৰ, ভাগ্যদেৱী থিয়েটাৰ, প্ৰাগজ্যোতিষ থিয়েটাৰ, সুৰুয থিয়েটাৰ, নয়নতৰা থিয়েটাৰ, বীণাপানী থিয়েটাৰ, মাতৃভূমি থিয়েটাৰ, বৃন্দাবন থিয়েটাৰ, হেঙুল থিয়েটাৰ আৰু চিৰঞ্জীৱ থিয়েটাৰ।

এই উপলক্ষে অনুষ্ঠিত এক অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভ্ৰাম্যমাণ থিয়েটাৰ হৈছে অসমৰ ঐতিহ্য আৰু এই থিয়েটাৰ উদ্যোগক জীয়াই ৰাখিবলৈ যৌথ প্ৰচেষ্টাৰে আগবাঢ়িব লাগিব। বিগত দুটা বছৰ ক'ভিড মহামাৰীৰ ফলস্বৰূপে ভ্ৰাম্যমাণ থিয়েটাৰ উদ্যোগ যথেষ্ট অৰ্থনৈতিক ক্ষতিৰ সন্মুখীন হৈছে। এই উদ্যোগৰ সৈতে জড়িত কলা-কুশলীসকল যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। যোৱা দুবছৰ ৰাজ্যত কোনো থিয়েটাৰে নাট মঞ্চস্থ কৰিব পৰা নাই। অৱশ্যে শেহতীয়াকৈ ক'ভিড প্ৰ'টকল মানি ভ্ৰাম্যমাণ থিয়েটাৰসমূহক নাট প্ৰদৰ্শনৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰে অনুমতি প্ৰদান কৰিছে। কেইবাটাও নাট্যগোষ্ঠীয়ে ইতিমধ্যে প্ৰদৰ্শনী আৰম্ভ কৰিছে। ক'ভিডৰ প্ৰত্যাহ্বান এতিয়াও শেষ হোৱা নাই বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই প্ৰত্যাহ্বান গ্ৰহণ কৰি আমি আগুৱাই যাব লাগিব। ৰাজ্য চৰকাৰে ভ্ৰাম্যমাণ উদ্যোগটোৰ বাবে বিগত সময়ছোৱা বহুতো ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০২০-২১ বিত্তীয় বৰ্ষত ভ্ৰাম্যমানৰ ৯৭৪ গৰাকী শিল্পী, কলা-কুশলীক ৫০ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই অসমৰ সাংস্কৃতিক জগতলৈ ভ্ৰাম্যমাণ থিয়েটাৰৰ অৱদানৰ ওপৰত আলোকপাত কৰে। এই ভ্ৰাম্যমাণ থিয়েটাৰ উদ্যোগটো যাতে সগৌৰৱে জীয়াই থাকিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি তেখেতে কয়।

সদৌ অসম ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰযোজন সংস্থাৰ হৈ অনুষ্ঠানত  বক্তব্য প্ৰদান কৰি গণেশ ৰায় মেধিয়ে ৰাজ্য চৰকাৰৰ পদক্ষেপ শলাগ লয়।

এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱা, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক কিশোৰ ঠাকুৰীয়াৰ লগতে আৰ্থিক সাহায্য লাভ কৰা ভ্ৰাম্যমাণ থিয়েটাৰ গোষ্ঠীসমূহৰ প্ৰযোজকসকল উপস্থিত থাকে।

**বীঃগঃ**
**১১-১০-২০২১**